# ভাৰত আৰু ম্যানমাৰৰ মাজত বিদেশ কাৰ্য্যলয়ৰ পৰামৰ্শমুলক আলোচনা ।

২৩ জুলাই ২০১৪

ভাৰত আৰু ম্যানমাৰৰ মাজত নতুন দিল্লীত ২৩ জুলাই ২০১৪ তাৰিখে ১৪ লানি বিদেশ কাৰ্য্যলয়ৰ পৰামৰ্শ মুলক বৈঠক অনুষ্ঠিত হয় ।ভাৰতীয় প্ৰতিনিধি দলটোৰ নেতৃত্ব দিয়ে বিদেশ সচিব শ্ৰীমতী সুজাতা সিঙে আৰু ম্যানমাৰৰ প্ৰতিনিধি দলটোৰ নেতৃত্ব বহন কৰে ম্যানমাৰৰ বিদেশ পৰিক্ৰমা মন্ত্ৰনালয়ৰ ডেপুটী মন্ত্ৰী ইউ থান্থ ক্যাৱে ।

দুয়োখন দেশে ঐতিহাসিক,জনগোষ্ঠীয়,সংস্কৃতিক আৰু ধৰ্মীয় বন্ধুত্বৰ ভিত্তীত গঢ়ি উঠা দীৰ্ঘদিনীয়া সম্বন্ধৰ দুয়োদেশ আজিও অতি অন্তৰংগতাৰে আৰু সৌজন্যমুলক ভাৱে অংশীদ্বাৰ হৈ আছে ।আলোচনা কালত দুয়োপক্ষই আন্তৰ্জাতিক গুৰুত্ব লাভ কৰা বিষয় সমুহৰ উপৰিও দুয়োদেশৰ দ্বিপাক্ষীক সম্পৰ্কৰ মুখ্য বিষয় সমুহ পৰ্য্যালোচনা কৰে ।ৰাজনৈতিক আৰু সাংসদীয় ভাৱে গুৰুত্ব লাভ কৰা বিষয়সমুহ, নিৰাপত্তা,বাণিজ্য আৰু বিনিয়োগ, উন্নয়নমুলক সহযোগিতা আৰু যোগ্যতা নিৰ্মাণ,সংযোগ আৰু আন্ত:গাঠনি উন্নয়ন ,শক্তি,সংস্কৃতি আৰু মানুহৰ সৈতে মানুহৰ যোগাযোগ আদি বিষয়সমুহে বৈঠক কালত আলোচনাত স্থান পায় ।

দুয়োখন দেশৰ মাজত বৰ্তী থকা বন্ধুত্বপূৰ্ণ সম্বন্ধৰ বাবে দুয়ো গৰাকী নেতাই সন্তোষ্টী প্ৰকাশ কৰে ।দুয়োপক্ষই ২০১৪ বৰ্ষৰেই আগষ্ট মাহত ভাৰতৰ বিদেশ মন্ত্ৰীৰ ইএএচ/এআৰএফ ৰ মন্ত্ৰীত্বৰ বৈঠকৰ বাবে পৰিকল্পিত আগুন্তুক নেয়্যা পয়্যি টোও ভ্ৰমণ কালত হবলগীয়া উচ্চস্তৰীয় মত বিনিময় আৰু ২০১৪ চনৰ নভেম্বৰ মাহত অনুষ্ঠিত হবলগীয়া ইএএচ/আছিয়ান-

ভাৰতৰ শীৰ্ষ সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহন কালত অনুষ্ঠিত হবলগীয়া উচ্চস্তৰীয় মতবিনিময় বাবে দৃষ্টি ৰাখিছে ।

ম্যানমাৰ উপ বিদেশ পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে ভাৰতৰ বিদেশ মন্ত্ৰী গৰাকীক সাক্ষাৎ কৰাৰ লগতে ম্যানমাৰলৈ ম্যানমাৰৰ বিদেশ মমন্ত্ৰী গৰাকীৰ হৈ দ্বিপাক্ষীক ভ্ৰমণৰ বাবে আমন্ত্ৰন আগবঢ়াই ।

নতুন দিল্লী

২৩ জুলাই ২০১৪